**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 01-06-2026
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***::::::::::::::::::::::::::::::::::::***

১।  ম্যানমাৰৰ ৰাষ্ট্ৰপতি উ মিন আউং লাইনে আজি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক ৰাষ্ট্ৰপতি ভৱনত সাক্ষাৎ কৰে। তেওঁ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে দ্বিপাক্ষিত আলোচনাতো মিলিত হয়।

২।  ভাৰত আৰু অষ্ট্ৰেলিয়াই ভাৰত প্ৰশান্ত মহাসাগৰীয় অঞ্চলক মুক্ত, শান্তিপূৰ্ণ, স্থিৰ আৰু সমৃদ্ধিশালী কৰি ৰাখিবলৈ আঞ্চলিক অংশীদাৰ সমূহৰ সৈতে সহযোগিতা বৃদ্ধি কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে।

৩।  ১০ খন ৰাজ্যৰ ২৪ খন ৰাজ্যসভা আসনৰ দ্বিবাৰ্ষিক নিৰ্বাচনৰ বাবে আজি অধিসূচনা জাৰি কৰা হৈছে।

৪।  নীট ইউ জি ২০২৬ ৰ পুনৰ পৰীক্ষা কম্পিউটাৰ আধাৰিত প্ৰক্ৰিয়াযোগে সম্পন্ন কৰিবৰ বাবে দাখিল কৰা এখন আবেদন উচ্চতম ন্যায়ালয়ে গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰে। *আৰু*

৫।  বিশিষ্ট গায়িকা সুমন কল্যাণপুৰৰ শেষকৃত্য আজি মুম্বাইত সম্পূৰ্ণ ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন কৰা হয়।

ooooo

ম্যানমাৰৰ ৰাষ্ট্ৰপতি উ মিন আউং লাইনে আজি সন্ধিয়াৰ ভাগত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক ৰাষ্ট্ৰপতি ভৱনত সাক্ষাৎ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাযোগে শ্ৰীমতী মুৰ্মুৱে এই বিষয়ে জানিবলৈ দি কয়, যে উমৈহতীয়া বৌদ্ধধৰ্মী ঐতিহ্য আৰু শতিকা শতিকাজুৰি দুয়োখন দেশৰ মানুহৰ মাজত থকা আত্মিক সম্পৰ্কই ভাৰত - ম্যানমাৰ বান্ধোনক আছুতীয়া মৰ্যাদা প্ৰদান কৰি আহিছে। ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে শান্তি আৰু সমন্বয় অক্ষুন্ন ৰখাৰ ক্ষেত্ৰত ম্যানমাৰৰ প্ৰচেষ্টাৰ প্ৰতি আমাৰ দেশৰ দৃঢ় সহযোগিতা আছে বুলিও দোহাৰে।

ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ম্যানমাৰৰ ৰাষ্ট্ৰপতি উ মিন আউং লাইনে আজি নতুন দিল্লীত দ্বিপাক্ষিত আলোচনাত মিলিত হয়। দুয়োখন দেশৰ মাজত প্ৰজন্ম প্ৰজন্ম জুৰি থকা ঐতিহাসিক সম্বন্ধক অধিক শক্তিশালী কৰি তুলিবলৈ এই বৈঠকৰ আয়োজন কৰা হয়। বৈঠকত দুয়োখন দেশৰ মাজত সুৰক্ষা, যাতায়াতকে ধৰি বহুকেইটা ক্ষেত্ৰত থকা সম্পৰ্কৰ বিষয়ে আলোচনা কৰা হয়। উল্লেখযোগ্য যে ম্যানমাৰৰ ৰাষ্ট্ৰপতিগৰাকী ৫ দিনীয়া ভাৰত ভ্ৰমণসূচীৰে যোৱা শনিবাৰে বিহাৰৰ গয়াত উপস্থিত হৈছিল। ৰাষ্ট্ৰপতি হিচাপে এয়া হৈছে তেওঁৰ প্ৰথমটো ভাৰত ভ্ৰমণ। ৰাষ্ট্ৰপতিগৰাকীৰ লগতে ম্যানমাৰৰ এটা উচ্চ পৰ্যায়ৰ প্ৰতিনিধি দলো ভাৰতলৈ আহিছে। কাইলৈ তেওঁ ব্যৱসায় আৰু উদ্যোগ সম্পৰ্কিত কেইবালানি আলোচনাৰ বাবে মুম্বাইলৈ যাব।

ooooo

ভাৰত আৰু অষ্ট্ৰেলিয়াই ভাৰত প্ৰশান্ত মহাসাগৰীয় অঞ্চলক মুক্ত, শান্তিপূৰ্ণ, স্থিৰ আৰু সমৃদ্ধিশালী কৰি ৰাখিবলৈ আঞ্চলিক অংশীদাৰ সমূহৰ সৈতে সহযোগিতা বৃদ্ধি কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। আজি নতুন

দিল্লীত অনুষ্ঠিত ভাৰত-অষ্ট্ৰেলিয়া প্ৰতিৰক্ষা মন্ত্ৰীৰ দ্বিতীয়লানি আলোচনাত দুয়োখন দেশে স্বতন্ত্ৰ নৌ পৰিবহন আৰু বায়ুপথৰ যাতায়াতৰ ক্ষেত্ৰত আলোকপাত কৰে। আন্তঃৰাষ্ট্ৰীয় আইনৰ সৈতে সামঞ্জস্য ৰাখি সাগৰীয় পৰিসৰৰ যথোচিত ব্যৱহাৰ আৰু বাণিজ্যৰ সুচলতাৰ ক্ষেত্ৰত দুয়োখন দেশে সকলো ধৰণৰ সহযোগিতা আগবঢ়োৱাৰ কথা দোহাৰে। উল্লেখযোগ্য যে আজিৰ বৈঠকখন প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং আৰু অষ্ট্ৰেলিয়াৰ উপ প্ৰধানমন্ত্ৰী তথা প্ৰতিৰক্ষা মন্ত্ৰী ৰিছাৰ্দ মাৰ্লচৰ যুটীয়া অধ্যক্ষতাত অনুষ্ঠিত হয়। বৈঠকৰ শেষত প্ৰতিৰক্ষা মন্ত্ৰালয়ে এটা বিবৃতিযোগে জানিবলৈ দিয়ে যে প্ৰতিৰক্ষা আৰু সুৰক্ষা সহযোগিতাৰ ক্ষেত্ৰত পূৰ্বতে কৰা যুটীয়া ঘোষণাক নৱীকৰণ আৰু অধিক দৃঢ় কৰাত দুয়োখন দেশৰ প্ৰধানমন্ত্ৰীৰ প্ৰতিশ্ৰুতিবদ্ধতাক বাস্তৱায়িত কৰাৰ দিশত হোৱা অগ্ৰগতিক লৈ প্ৰতিৰক্ষা মন্ত্ৰী দুগৰাকীয়ে সন্তুষ্টি প্ৰকাশ কৰে। দ্বিপাক্ষিক সামুদ্ৰিক সুৰক্ষা সহযোগিতা বৃদ্ধিৰ ক্ষেত্ৰত দুয়োখন দেশে আলোচনা আগবঢ়োৱা বুলিও মন্ত্ৰালয়ে উল্লেখ কৰে।

০০০০০

১০ খন ৰাজ্যৰ ২৪ খন ৰাজ্যসভা আসনৰ দ্বিবাৰ্ষিক নিৰ্বাচনৰ বাবে আজি অধিসূচনা জাৰি কৰা হৈছে। অন্ধ্ৰপ্ৰদেশ, গুজৰাট আৰু কৰ্ণাটকৰ ৪ খনকৈ, ৰাজস্থান আৰু মধ্যপ্ৰদেশত ৩ খন, ঝাৰখণ্ডত দুখন আৰু মণিপুৰ, মেঘালয়, অৰুণাচল প্ৰদেশ আৰু মিজোৰামৰ একোখনকৈ আসনৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব। চলিত মাহত ৰাজ্যসভাৰ সদস্য হিচাপে কাৰ্যকাল সম্পূৰ্ণ হ'বলগীয়া নেতাসকলৰ ভিতৰত প্ৰাক্তন প্ৰধানমন্ত্ৰী তথা জে ডি এছৰ নেতা এইচ ডি দেৱেগৌড়া, কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ নেতা জৰ্জ কুৰিয়ান আৰু ৰৱনীত সিং, ৰাজ্যসভাৰ বিৰোধী পক্ষৰ নেতা তথা কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গে অন্যতম।

ইপিনে মহাৰাষ্ট্ৰ, তামিলনাডু আৰু ওড়িশাৰ এখনকৈ আসনত ৰাজ্যসভাৰ উপ-নিৰ্বাচনৰ বাবেও আজি অধিসূচনা জাৰি কৰা হৈছে। মহাৰাষ্ট্ৰৰ উপ-মুখ্যমন্ত্ৰী সুনেত্ৰা অজিত পাৱাৰ আৰু তামিলনাডুৰ এ আই ডি এম কেৰ সাংসদ চি ভি ছনমুগাম বিধানসভালৈ শেহতীয়াকৈ নিৰ্বাচিত হোৱাৰ ফলত এই আসনকেইখন খালী হৈ আছে। ওড়িশাৰ বিজেডিৰ সাংসদ দেৱাশীষ সামান্ত্ৰে সাংসদ পদ প্ৰত্যাহাৰ কৰিছে।

ৰাজ্যসভাৰ দ্বিবাৰ্ষিক নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ আজিৰে পৰা ৮ জুনলৈ দাখিল কৰিব পাৰিব। ১৮ জুনত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব আৰু সেইদিনাই ভোটগণনা কৰা হ'ব।

০০০০০

উচ্চতম ন্যায়ালয়ত ৫ গৰাকী নতুন ন্যায়াধীশক নিযুক্তি দিছে। উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশকে ধৰি এই নতুন নিযুক্তিৰ জৰিয়তে সৰ্বোচ্চ ন্যায়ালয়খনৰ ন্যায়াধীশৰ সংখ্যা ৩৭ লৈ বৃদ্ধি পালে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত কেন্দ্ৰীয় আইন আৰু ন্যায় মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে কয়, যে উচ্চতম ন্যালায়ৰ মুখ্য ন্যায়াধীশৰ সৈতে আলোচনা কৰি ৰাষ্ট্ৰপতিয়ে এই ৫ গৰাকী ন্যায়াধীশক নতুনকৈ নিযুক্তি দিছে।

আইন মন্ত্ৰালয়ে জাৰি কৰা এখন জাননীমতে পঞ্জাব আৰু হাৰিয়ানাৰ উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ শ্বীল নাগু, বোম্বে উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ শ্ৰীচন্দ্ৰশেখৰ, মধ্যপ্ৰদেশ উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ সঞ্জীৱ সচদেৱ আৰু জম্মু-কাশ্মীৰ তথা লাডাখৰ উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ অৰুণ পল্লীক উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে নিযুক্তি দিয়া হয়। জ্যেষ্ঠ অধিবক্তা ৰেনকিতা সুব্ৰমণি মোহানাকো সৰ্বোচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপ নিযুক্তি দিয়া হয়।

উল্লেখযোগ্য যে যোৱা মাহত উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশৰ সংখ্যা ৩৩ৰ পৰা ৩৭লৈ বৃদ্ধি কৰাৰ বাবে এখন আধ্যাদেশ জাৰি কৰা হৈছিল।

০০০০০

নীট ইউ জি ২০২৬ ৰ পুনৰ পৰীক্ষা বৰ্তমানৰ কলম-কাগজৰ ব্যৱস্থাৰ পৰিবৰ্তে কম্পিউটাৰ আধাৰিত প্ৰক্ৰিয়াযোগে সম্পন্ন কৰিবৰ বাবে দাখিল কৰা এখন আবেদন উচ্চতম ন্যায়ালয়ে গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰে। ন্যায়াধীশ পি এছ্ নৰসিমহা আৰু অৰবিন্দ কুমাৰে কয়, যে কম্পিউটাৰ আধাৰিত প্ৰক্ৰিয়াৰে পুনৰ পৰীক্ষা অনুষ্ঠিত কৰাৰ প্ৰশ্নই নুঠে। ৰাষ্ট্ৰীয় অনুসন্ধান সংস্থাৰ উদ্ধৃতি দি কয় যে পৰীক্ষা বাতিল হোৱাৰ পাছত ৰাষ্ট্ৰীয় অনুসন্ধান সংস্থা বহু প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। আদালতে বিষয়টোৰ পৰৱৰ্তী শুনানিৰ দিন অহা ২৭ জুলাই ধাৰ্য কৰিছে।

০০০০০

বিশিষ্ট গায়িকা সুমন কল্যাণপুৰৰ শেষকৃত্য আজি মুম্বাইত সম্পূৰ্ণ ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন কৰা হয়। গায়িকাগৰাকীৰ কালি মুম্বাইৰ নিজা বাসগৃহত ৮৯ বছৰ বয়সত দেহাৱসান ঘটিছিল। প্ৰবীণ গায়িকাগৰাকীয়ে ১৯৫০ৰ পৰা ১৯৭০ চনলৈ বোলছবি গীতৰ সোণালী যুগত হিন্দী, মাৰাঠীকে ধৰি বিভিন্ন ভাৰতীয় ভাষাৰ গীতত কণ্ঠদান কৰিছিল। কিংবদন্তী গায়ক মহম্মদ ৰফিৰ সৈতে সুমন কল্যাণপুৰে প্ৰায় এশটা গানত কণ্ঠদান কৰিছিল।

গায়িকাগৰাকীৰ মৃত্যুত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে গভীৰ শোক প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাযোগে শ্ৰীমতী মুৰ্মুৱে কয় যে ভাৰতীয় সংগীতক সমৃদ্ধশালী কৰি তোলা গায়িকাগৰাকীৰ মৃত্যুত ভাৰতীয় কলা জগতত অপূৰণীয় শূন্যতাৰ সৃষ্টি হ'ল। ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে চুমন কল্যানপুৰৰ শোকসন্তপ্ত পৰিয়ালবৰ্গ আৰু অগণন গুণমুগ্ধলৈ সমবেদনা জ্ঞাপন কৰে।

গায়িকাগৰাকীৰ মৃত্যুত মহাৰাষ্ট্ৰৰ ৰাজ্যপাল জিষ্ণু দেৱ বাৰ্মা, মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নাবিছ, উপ-মুখ্যমন্ত্ৰী একনাথ সিন্দে, সুনেত্ৰা পাৱাৰ আৰু কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰীয়েও শোক প্ৰকাশ কৰিছে।

০০০০০

কেন্দ্ৰীয় জলশক্তি মন্ত্ৰী চি আৰ পাটিল আৰু বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী ড০ জীতেন্দ্ৰ সিঙে আজি নতুন দিল্লীত যুটীয়াভাৱে পানীৰ গৱেষণা আৰু উন্নয়নৰ এদিনীয়া ৰাষ্ট্ৰীয় কৰ্মশালাৰ উদ্বোধন কৰে। উদ্বোধনী ভাষণত শ্ৰীপাটিলে কয়, যে ২০৪৭ চনৰ ভিতৰত প্ৰধানমন্ত্ৰীৰ বিকশিত ভাৰতৰ সপোনক সাকাৰ কৰাৰ ক্ষেত্ৰত যুগান্তকাৰী উদ্ভাৱন আৰু নতুন প্ৰযুক্তিৰ প্ৰয়োগে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। উল্লেখযোগ্য যে ভাৰতৰ জল গৱেষণা আৰু উদ্ভাৱন পৰিবেশতন্ত্ৰ শক্তিশালী কৰাৰ উদ্দেশ্যে জলশক্তি মন্ত্ৰালয়ে পানীৰ গৱেষণা আৰু উন্নয়নৰ ৰাষ্ট্ৰীয় কৰ্মশালাৰ আয়োজন কৰে। এই কৰ্মশালাত বিভিন্ন প্ৰতিষ্ঠান আৰু স্থানীয় সংস্থাক জল সংৰক্ষণ, বৰষুণৰ পানী সংগ্ৰহ আৰু ভূগৰ্ভস্থ পানীৰ পুনৰ্ব্যৱহাৰ সন্দৰ্ভতো বিভিন্ন কাৰ্যব্যৱস্থা হাতত ল'বলৈ নতুন প্ৰযুক্তিৰ বিষয়ে আলোচনা কৰা হয়।

০০০০০

পশ্চিমবংগৰ মুখ্যমন্ত্ৰী শুভেন্দু অধিকাৰীয়ে আজি ৰাজ্যখনৰ মন্ত্ৰী পৰিষদত ৩৫ গৰাকী নতুন মন্ত্ৰী অন্তৰ্ভুক্ত কৰে। আজি দিনৰ ১১ বজাত কোলকাতাৰ লোকভৱনত ৰাজ্যপাল আৰ এন ৰবীয়ে নতুনকৈ অন্তৰ্ভুক্ত মন্ত্ৰীসকলক পদ আৰু গোপনীয়তাৰ শপত বাক্য পাঠ কৰোৱায়। আজি শপত গ্ৰহণ কৰা মন্ত্ৰীসকলৰ ভিতৰত স্বপন দাস গুপ্তা, অৰ্জুন সিং, তাপশ ৰয় আৰু শংকৰ ঘোষো আছে।

০০০০০

হংকঙত আয়োজিত ২২ সংখ্যক এছিয়ান ২০ বছৰ অনুৰ্ধ এথলেটিক্স প্ৰতিযোগিতাত ভাৰতে ১০ টা সোণৰ, ৫ টা ৰূপৰ আৰু ৪ টা ব্ৰঞ্জৰ মুঠ ১৯ টা পদক অৰ্জন কৰি পদক তালিকাত দ্বিতীয় স্থান লাভেৰে ইতিহাস ৰচিছে।

পুৰুষৰ ৮০০ মিটাৰ দৌৰ শাখাত মোগলী ৰেংকটৰামে কালি সোণৰ পদক অৰ্জন কৰে। ইয়াৰ পূৰ্বে মহিলাৰ ৪ x ১০০ মিটাৰ ৰীলে শিতানত কাজল, ভাৱনা, আৰতী আৰু নিকমৰ দলটোৱে ৰূপৰ পদক লাভ কৰে। ভূমিকা, তহুৰা, চেহেনুৰ আৰু নিৰুৰে গঠিত ভাৰতীয় মহিলাৰ দলটোৱে ৪ x ৪০০ মিটাৰ ৰীলে শিতানত সোণৰ পদক অৰ্জন কৰে। উল্লেখযোগ্য যে যোৱা ২৮ ৰ পৰা ৩১ মে'লৈকে অনুষ্ঠিত প্ৰতিযোগিতাত দেশৰ ৩০ জন পুৰুষ আৰু ১৮ গৰাকী মহিলা এথলীটে প্ৰতিদ্বন্দিতা আগবঢ়াইছিল।

০০০০০

ঃঃ সমাপ্ত ঃঃ